**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2024
**Time :** 0705 Hrs.

## *ASSAMESE MORNING BULLETIN*

:::::::::::::::::::::::::::::::::::

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব।

২। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোডীয়ে কালি ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়।

৩। বাংলাদেশৰ ঢাকা আৰু কাষৰীয়া অঞ্চলসমূহক কালি বিয়লি ৰিখটাৰ স্কেলত ৫ দশমিক ৫ প্ৰাবল্যৰ এটা ভূমিকম্পই জোকাৰি যায়।

*আৰু*

৪। ভাৰতৰ অংকুশিতা বড়ো বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰ প্ৰতিযোগিতাৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত দেশত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ অভিযান তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ আপ্ৰাণ প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰতিৰক্ষা মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰাজনাথ সিঙে আৰু উত্তৰ প্ৰদেশৰ কুশীনগৰ, ৰবাৰ্টছগঞ্জ আৰু চান্দৌলী লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।

একেদৰে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে কুশীনগৰ আৰু ছোনভদ্ৰা সমষ্টিত ৰোড শ্ব'ত ভাগ ল'ব। ইপিনে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজি মহাৰাজগঞ্জ আৰু ঘোছি সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ঝাৰখণ্ডৰ ডুমকাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। ৰাজ্যখনৰ বিজেপিৰ মুৰব্বী বাবুলাল মুৰাণ্ডিয়ে গোদ্দা আৰু চাহিবগঞ্জত, আৰু মুখ্যমন্ত্ৰী চম্পাই চোৰেণে গোদ্দা, ডুমকা আৰু চাহিবগঞ্জত নিৰ্বাচনী সভাত ভাগ ল'ব।

উত্তৰ প্ৰদেশতো নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত জোৰদাৰ প্ৰচাৰ অভিযান অব্যাহত আছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যখনত ৪খন নিৰ্বাচনী প্ৰচাৰ সভা আৰু এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। মহাৰাজগঞ্জত প্ৰথমখন সভাত ভাগ লৈ শ্ৰীশ্বাহে কয় যে বিজেপিয়ে ইতিমধ্যে হৈ যোৱা নিৰ্বাচনৰ প্ৰথম পাঁচটা পৰ্যায়তে ৩০০ খনতকৈ অধিক আসন লাভ কৰিব আৰু ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ পাছত এই সংখ্যা চাৰিশৰো অধিক হোৱাৰ সম্ভাৱনা আছে। দেওৰীয়াত আন এখন সভাত ভাগ লৈ তেওঁ পাক অধিকৃত কাশ্মীৰ ভাৰতৰো অবিচ্ছেদ্য অংগ বুলি মন্তব্য কৰে। তেওঁ কয় যে কেন্দ্ৰত মোডী চৰকাৰ থকা বাবেই সাম্প্ৰতিক সময়ত

কোনো সন্ত্ৰাসবাদীয়ে দেশত কোনো ধৰণৰ ৰাষ্ট্ৰবিৰোধী কাৰ্য কৰিবলৈ সাহস নকৰে। তেওঁ বাল্লিয়া আৰু ছনভদ্ৰাতো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিয়লিৰ ভাগলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ঘাজিপুৰত এটা ৰোড শ্ব'ত ভাগ লয়।

ইপিনে, জ্যেষ্ঠ বিজেপি নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি কুশীনগৰত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি কয় যে কেৱল মাত্ৰ বিজেপিহে দেশৰ সীমান্তক সুৰক্ষিত কৰিবলৈ সক্ষম। তেওঁ পাছত দেওৰীয়াতো নিৰ্বাচনী প্ৰচাৰ চলায় আৰু গোড়খপুৰত এটা মেগা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে কালি কয় যে বিজেপিয়ে দেশৰ যুৱ প্ৰজন্মক আভুৱা ভাৰিছে আৰু যদিহে আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহে, তেন্তে অগ্নিবীৰ আঁচনি বাতিল কৰা হ'ব।

বিহাৰতো নিৰ্বাচন হ'বলগীয়া ৮টা লোকসভা সমষ্টিত প্ৰচাৰ অভিযান অব্যাহত আছে। বিহাৰ বিজেপিৰ অধ্যক্ষ তথা ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে কালি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ দীঘাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। তেওঁ ৰাজ্যখন পিচ পৰি থকাৰ বাবে আৰ জে ডি আৰু কংগ্ৰেছক জগৰীয়া কৰে। নেতাগৰাকীয়ে নালন্দা, জেহানাবাদ আৰু কাৰাকাট  সংসদীয় সমষ্টিতো প্ৰচাৰ সভাত ভাগ লয়। আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদেও পাতলিপুত্ৰ সমষ্টিৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ ফুলৱাৰী শ্বৰিফত এখন জনসভাত সম্বোধন কৰি দলটোৰ নেতা তেজস্বী প্ৰসাদ যাদৱে নিৰ্বাচনত আই এন ডি আই মিত্ৰজোঁটে ৩০০খনতকৈ অধিক আসন লাভ কৰিব বুলি দাবী কৰে।

০০০০০

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোডীয়ে কালি ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীমোডীয়ে ময়ুৰগঞ্জ লোকসভা সমষ্টিৰ বড়ীপদাত, বালাছোৰ লোকসভা সমষ্টিৰ ৰেমু নাথ আৰু কেন্দ্ৰপাৰা লোকসভা সমষ্টিৰ বাৰুৱাত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে পশ্চিম বংগ, ঝাৰখণ্ড আৰু ওড়িশাৰ ভোটদাতাসকলৰ আনন্দ আৰু উৎসাহ  প্ৰত্যক্ষ কৰি তেওঁ কেন্দ্ৰত তৃতীয়বাৰৰ বাবে এখন মজবুত মোডী চৰকাৰ গঠন হ'ব বুলি নিশ্চিত হৈছে।

ইপিনে, কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কালি বালাছোৰত এখন জনসভাক সম্বোধন কৰে। সভাত তেওঁ প্ৰধানমন্ত্ৰী শ্ৰীমোডীক দুখীয়া বিৰোধী তথা কৃষক বিৰোধী বুলি উল্লেখ কৰে। তেওঁ কয় যে আই এন ডি আই মিত্ৰজোঁটে কেন্দ্ৰত পৰৱৰ্ত্তী চৰকাৰ গঠন কৰিব আৰু দুমাহৰ ভিতৰতে ৩০ লাখ নিবনুৱাক চাকৰিত নিয়োগ কৰিব।

০০০০০

নিৰ্বাচন আয়োগে শাৰীৰিক বা অন্য যিকোনো বাধাগ্ৰস্ততাৰ বাবে যাতে কোনো যোগ্য ভোটাৰ ভোটাধিকাৰৰ পৰা বঞ্চিত নহয় তাৰ বাবে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত সৰ্বাংগীনতা আৰু সুলভতা নিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যাপক অগ্ৰগতি লাভ কৰিছে। আয়োগে কয় যে এতিয়ালৈকে ছয়টা পৰ্যায়ৰ নিৰ্বাচন সমাপ্ত হোৱাৰ পিছত বিশেষভাৱে সক্ষম ব্যক্তি , জ্যেষ্ঠ নাগৰিক, তৃতীয় লিংগৰ ব্যক্তি আৰু বিশেষভাৱে দুৰ্বল জনজাতীয় গোটৰ দৰে বিভিন্ন শ্ৰেণীৰ ভোটাৰৰ মাজত নিৰ্বাচনক লৈ ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। আয়োগে লগতে কৈছে যে এইবাৰৰ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে সমগ্ৰ দেশতে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ বাবে ঘৰৰ পৰাই ভোটদানৰ

সুবিধা প্ৰদান কৰা হৈছে । মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে নিৰ্বাচনৰ যোগেদিয়েই দেশৰ বৈচিত্ৰ্যৰ মনোভাৱক সঁচা অৰ্থত প্ৰতিফলিত কৰিবলৈ আয়োগ দৃঢ়প্ৰতিজ্ঞ আৰু এয়া দেশৰ বাবে গৌৰৱৰ বিষয় । আয়োগে লগতে কয় যে দুবছৰ পূৰ্বে যোগ্য নাগৰিকক নিৰ্বাচনী তালিকাত নৱীকৰণ আৰু পঞ্জীয়নৰ বাবে এক সংহত প্ৰচেষ্টাৰ আৰম্ভ হৈছিল । এই শ্ৰেণীৰ ভোটাৰক লক্ষ্য কৰি বিশেষ পঞ্জীয়ন অভিযান , শিবিৰ আদি কাৰ্যসূচী হাতত লোৱা হৈছিল । নিৰ্বাচন আয়োগে ভোটাধিকাৰৰ পৰা বঞ্চিত হোৱাৰ প্ৰৱণতা থকা সম্প্ৰদায়সমূহৰ মাজত অংশগ্ৰহণ বৃদ্ধিৰ বাবে বহুমুখী কৌশল গ্ৰহণ কৰিছিল।

০০০০০

বাংলাদেশৰ ঢাকা আৰু কাষৰীয়া অঞ্চলসমূহক কালি বিয়লি ৰিখটাৰ স্কেলত ৫ দশমিক ৫ প্ৰাবল্যৰ এটা ভূমিকম্পই জোকাৰি যায়। বাংলাদেশৰ স্থানীয় সময় অনুসৰি সন্ধিয়া ৭ বাজি ১৩ মিনিটৰ এই ভূমিকম্পৰ জোকাৰণি ঢাকা, ছট্টগ্ৰাম, চিলেট আৰু আন কিছু অঞ্চলত অনুভূত হয়। বাংলাদেশৰ বতৰ বিজ্ঞান বিভাগে ঢাকাৰ পূবে প্ৰায় ৪৩৯ কিলোমিটাৰ দূৰত্বত ম্যানমাৰত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল বুলি জানিবলৈ দিছে। অৱশ্যে ভূমিকম্পৰ ফলত দেশখনত এই পৰ্যন্ত কোনো লোক নিহত হোৱা নাই আৰু সম্পত্তিৰো হানি-বিঘিনি হোৱা নাই বুলি জানিব পৰা গৈছে।

০০০০০

দক্ষিণ-পশ্চিম মৌচুমী বায়ুৱে আজি কেৰালাত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা অনুসৰি এইবাৰ স্বাভাৱিক সময়, অৰ্থাৎ ১ জুনতকৈ দুদিন পূৰ্বেই মৌচুমী বায়ুৰ প্ৰৱেশ ঘটিব। বিভাগে জনোৱা অনুসৰি আজি মৌচুমী বায়ুৰ প্ৰভাৱ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ কিছু অংশতো পৰিব পাৰে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত বিভাগৰ সঞ্চালক প্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কালি এই বিষয়ে জানিবলৈ দিয়ে। বিভাগে কেৰালা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ আৰু মাহেত শুকুৰবাৰৰ পৰা মঙলবাৰ পৰ্যন্ত প্ৰৱল বৃষ্টিপাতৰ আগজাননী প্ৰকাশ কৰিছে। জুনৰ প্ৰথম দুটা দিনত তামিলনাডু আৰু দক্ষিণ কৰ্ণাটকৰ কিছু অঞ্চলতো বৰষুণৰ আগলি বতৰা জাৰি কৰা হৈছে। বিভাগে এই সময়ছোৱাত বিহাৰ, ঝাৰখণ্ড, ওড়িশা আৰু পশ্চিম বংগৰ অঞ্চলবিশেষতো বৰষুণৰ আগজাননী দিছে।

০০০০০

ভাৰতৰ অংকুশিতা বড়ো থাইলেণ্ডৰ বেংককত চলি থকা বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰ প্ৰতিযোগিতাৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে কালি কাজাখস্তানৰ প্ৰতিদ্বন্দ্বিকী ৮-১ ফলাফলত পৰাস্ত কৰে। প্ৰতিযোগিতাত পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ নিশান্ত দেৱেও থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-০ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে ভাৰতৰ অৰুন্ধতী চৌধাৰীয়েও মহিলাৰ ৬৬ কিলোগ্ৰামৰ ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অৱশ্যে ৯২ কিলোগ্ৰামতকৈ অধিক ওজন শাখাত ভাৰতৰ নৰেন্দৰ বেৰৱাল পৰাজিত হৈছে।

০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু ছিংগাপুৰ অ'পেন বি ডব্লিউ এফ ছুপাৰ ছেভেন ফিফটি বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। প্ৰথম ৰাউণ্ডৰ খেলত সিন্ধুৱে বিশ্বক্ৰমৰ ২১ সংখ্যক স্থানৰ লিনে জায়েৰ্ছফেল্ডট্‌ক ২১-১২, ২২-২০ গেমত পৰাস্ত কৰে। অৱশ্যে পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত লক্ষ্য সেন আৰু কিদাম্বি শ্ৰীকান্ত পৰাস্ত হয়। লক্ষ্য সেনৰ বিৰুদ্ধে বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ আৰু সাম্প্ৰতিক অলিম্পিক চেম্পিয়ন ভিক্টৰ এক্সেলচেন ১৩-২১, ২১-১৬, ১৩-২১ গেমত বিজয় সাব্যস্ত কৰে। এয়া হ'ল দুয়োগৰাকী খেলুৱৈৰ মাজত হোৱা শেহতীয়া আঠখন খেলত ভাৰতীয় খেলুৱৈগৰাকীৰ সপ্তমটো পৰাজয়।

ইয়াৰ আগেয়ে বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ কিদাম্বি শ্ৰীকান্তে জাপানৰ কোডাই নাৰাওকাৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডৰ খেলৰ পৰা আঘাতৰ বাবে মাজতে আঁতৰি আহিবলগীয়া হয়।

ooooo

নৰৱেত অনুষ্ঠিত এখন দবা প্ৰতিযোগিতাত ভাৰতৰ প্ৰাগ্যনানন্দাই ক্লাছিকেল ইভেণ্টত প্ৰথমবাৰৰ বাবে মেগনাছ কাৰ্লচেনক পৰাস্ত কৰে । ১৮ বছৰীয়া ভাৰতীয় খেলুৱৈগৰাকীয়ে নৰৱে দবা প্ৰতিযোগীতা ২০২৪ৰ তৃতীয় ৰাউণ্ডত বিশ্বৰ ১ নম্বৰ স্থানত থকা খেলুৱৈগৰাকীক পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে প্ৰাগ্যনানন্দাই ৫.৫ পইণ্টেৰে প্ৰতিযোগীতাত অগ্ৰগতি লাভ কৰিছে। ooooo

ঃসমাপ্তঃ